সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE

# প্ৰতিবিম্ব The Reflection

ই-বাৰ্তা

প্ৰথম বছৰ, প্ৰস্তাৱনা সংখ্যা, ২০২৪, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত । ।প্ৰস্তাৱনা সংখ্যা। । মাহেকীয়া ই-বাৰ্তা, ২৯ ফেব্ৰুৱাৰী, ২০২৪, বৃহস্পতিবাৰ


## Messages from the Library

The Sarupathar College Central Library houses a steadily growing collection of books, journals, magazines, and electronic resources. The library is fully computerized with SOUL 3.0 integrated library management software to support all internal operations. Additionally, the library has been modernized with barcode-based automation systems that facilitates check-in, check-out and renewal of books. On 27-01-2024 the old Library Attendance System has been replaced by Barcode-based Smart Library Attendance integrated with Smart Display System at the entrance of the college library. The advantages of having these systems are –

- Automatically displays live attendance of Library members/ student's/staff.
- Total collection and latest arrival of library assets/books can be displayed.
- In-Out record of Library members/ students can be displayed at actual time.
- Notice can be displayed whenever required.
- It can display images of members or students who are present in the library.
- It can calculate highest time spent by members in the library and based on this, the name/photo of the "Best Library User" will be displayed on the big screen like your favourite superstars! ■

## ছাত্ৰ-ছাত্ৰীৰ সাফল্য

"National Cooperative Union Of Indiaৰ উদ্যোগত National Centre For Cooperative Education-এ নতুন দিল্লীত ২৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈকে আয়োজন কৰা পাঁচদিনীয়া "Formation of Cooperative Societies" শীৰ্ষক কৰ্মশালাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ক্ৰমে দিজু গগৈ, বিক্ৰম বসুমতাৰী আৰু পবিত্ৰ কাব্ৰাই অংশগ্ৰহণ কৰে। মহাবিদ্যালয় পৰিয়ালৰ হৈ তেওঁলোকলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা যাচিছোঁ।

## Career Counselling Programme by Depertment of Commerce

Sarupathar, February 16, 2024: The Department of Commerce at Sarupathar College organized a highly successful Career Counseling Programme on February 16, 2024. The event, aimed at guiding students towards promising career paths in the field of commerce, witnessed enthusiastic participation from both students and faculty members.

The highlight of the programme was the presence of CA Krishna Das, a distinguished figure in the realm of commerce, who served as the chief lecturer. With his profound knowledge and expertise, CA Krishna Das delivered an enlightening keynote address, shedding light on various career opportunities available to commerce students.

Students had the privilege of engaging in interactive sessions with CA Krishna Das, where they had the opportunity to seek guidance and clarification on career-related queries. His insights into professions such as Chartered Accountancy, Company Secretaryship, Cost and Management Accountancy, Banking, and Finance left a lasting impact on the attendees.

In addition to CA Krishna Das's keynote address, the programme featured a stimulating panel discussion comprising industry experts and alumni. The panelists shared their valuable experiences and perspectives, providing students with practical insights into the professional world.

The Career Counseling Programme also included workshops focusing on essential skills such as resume building, interview techniques, and personality development. These workshops aimed to equip students with the necessary tools to excel in their chosen careers.

Overall, the Career Counseling Programme organized by the Department of Commerce served as a beacon of guidance for students navigating the complex landscape of career choices. Through informative sessions and interactive discussions, students were empowered to make informed decisions about their future endeavors.

The success of this event underscores Sarupathar College's commitment to nurturing the holistic development of the students and preparing them for the challenges of the professional world. ■

## Empowering Entrepreneurs: Department of Commerce, Sarupathar College Launches Entrepreneurial Development Programme for OBC Students

Sarupathar, February 21, 2024: In a bid to foster entrepreneurship among students belonging to Other Backward Classes (OBC), the Department of Commerce at Sarupathar College has embarked on an ambitious entrepreneurial development programme. Sponsored by the esteemed Indian Institute of Entrepreneurship, Guwahati, this initiative aims to equip OBC students with the skills and knowledge necessary to embark on entrepreneurial ventures.

The programme, scheduled to run from February 21st to March 5th, 2024, was inaugurated with great enthusiasm by the Department of Commerce. The inauguration ceremony witnessed the presence of faculty members, students, and distinguished guests, all eager to witness the commencement of this transformative initiative.

The inaugural lecture, setting the tone for the programme, was delivered by Mr. Ajay Kanoi, a seasoned entrepreneur and thought leader in the field. Mr. Kanoi enlightened the audience on the entrepreneurial mindset, emphasizing the importance of innovation, resilience, and adaptability in the journey of entrepreneurship. His insightful discourse inspired the participants and laid the foundation for the forthcoming sessions.

This marks the second time that the Department of Commerce at Sarupathar College has undertaken such a commendable initiative. The decision to focus specifically on OBC students underscores the college's commitment to fostering inclusivity and providing equal opportunities for all.

The Entrepreneurial Development Programme encompasses a diverse range of topics, including business planning, financial management, market analysis, and networking strategies. Through interactive sessions, workshops, and mentorship opportunities, students will be empowered to develop their entrepreneurial acumen and turn their business ideas into reality.

Speaking about the significance of the programme, Dr. Prapti Thakur, Principal, Sarupathar College and Nabajyoti Goswami, Head of the Department of Commerce, expressed his optimism about the impact it would have on the participants. "Entrepreneurship holds the key to economic empowerment and social upliftment. By equipping OBC students with the necessary skills and resources, we are not just nurturing individual aspirations but also contributing to the overall development of our society," he remarked.

As the Entrepreneurial Development Programme unfolds over the coming days, Sarupathar College remains committed to providing unwavering support to its students and empowering them to become successful entrepreneurs and leaders in their respective fields.

## মহাবিদ্যালয়ৰ পুথিভঁৰালৰ 'কিতাপ পঢ়ো আহক' কাৰ্যসূচী ৰূপায়ণ

১ জানুৱাৰী,২০২৪ তাৰিখৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ৰ Library Advisory Committeeএ লোৱা সিদ্ধান্তমৰ্মে সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক- কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ পৰিয়ালবৰ্গ, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক তথা মহাবিদ্যালয়ৰ আশে-পাশে থকা জনসাধাৰণৰ মাজত কিতাপ পঢ়াৰ প্ৰতি সজাগতা বৃদ্ধি কৰিবলৈ 'আহক কিতাপ পঢ়ো আমি' নামেৰে এক কাৰ্যসূচী হাতত লোৱা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে সপ্তাহৰ প্ৰত্যেকটো শনিবাৰে পুৱা ৯.০০ বজাৰ পৰা সন্ধিয়া ৭.০০ বজালৈ মহাবিদ্যালয়ৰ  কেন্দ্ৰীয় পুথিভঁৰালৰ সেৱাসমূহ জনসাধাৰণৰ বাবে মুকলি থাকিব। পুথিভঁৰালৰ  এই সেৱাসমূহ উপভোগ কৰিবলৈ আপোনালোকৰ নাম! ঠিকনা সম্বলিত  "Library Membership Form" পুথিভঁৰালত আগতীয়াকৈ জমা দিব লাগিব । আহক আমি সকলোৱে মিলি এই সুবিধা উপভোগ কৰোঁ  আৰু আপোনাৰ ভাললগা কিতাপখনত এবাৰ চকু ফুৰাওঁ !



## গণৰাজ্য দিৱসত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

কেইবাটাও কাৰণত আজি ২৬ জানুৱাৰী, ২০২৪ গণৰাজ্য দিৱসটি আমাৰ মহাবিদ্যালয়ৰ বাবে বিশেষভাৱে উল্লেখযোগ্য। আজি ধনশিৰি মহকুমাই আয়োজন কৰা ৭৫ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপনৰ কাৰ্যসূচীত সৰুপথাৰ মহাবিদ্যালয়ক প্ৰদান কৰা হয় মহকুমা ভিত্তিক শ্ৰেষ্ঠ "Clean Campus & Green Campus"ৰ প্ৰশংসা-পত্ৰ। একেটা অনুষ্ঠানতে হোৱা "March Past" প্ৰতিযোগিতাত আমাৰ NCC দলেও লাভ কৰে শ্ৰেষ্ঠ দলৰ সন্মান। আকৌ, অসম চৰকাৰৰ বন বিভাগৰ হৈ জিলা বন বিষয়া শ্ৰীযুত সুশীল ঠাকুৰীয়াই মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়খনিত সেউজ পৰিৱেশ বৰ্তাই ৰখাৰ আমাৰ প্ৰচেষ্টাক এখন প্ৰশংসা-পত্ৰৰে উদগনি যোগায়। সংশ্লিষ্ট সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ

## গল্প-সংগীতৰ যুগলবন্দী ঃ গল্প পৰিৱেশনেৰে মহাবিদ্যালয়ত জ্যোতিপ্ৰসাদক সোঁৱৰণ




মহাবিদ্যালয়ৰ বাকৰিৰ পৰা যুগল মেধিঃ ১৭ জানুৱাৰী ঃ শীতৰ এটি মিঠা আবেলি, জীৱনৰ অতনু ৰহস্যৰ জীয়া কথাবোৰ মিঠা সুৰেৰে ছন্দোবদ্ধ কৰিলে অসমৰ দুগৰাকী স্বনামধন্য ব্যক্তিয়ে। শিল্পী দিৱসৰ পৱিত্ৰ ক্ষণত সৰাপাতক সাক্ষী কৰি শ্ৰোতাই শুনি থাকিল ছন্দোৱদ্ধ গল্পৰ গাথা । শিল্পী দিৱস উপলক্ষে ৰাজ্যত সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদক স্মৰণ কৰিছে ৰাজ্যবাসীয়ে । সৰুপথাৰ মহাবিদ্যালয়ত ব্যতিক্ৰমী ৰূপত শিল্পীগৰাকীক স্মৰণ কৰা হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক কোষৰ উদ্যোগত গল্প আৰু সংগীতৰ যুগলবন্দী অনুষ্ঠান 'গল্পকথা' অনুষ্ঠিত কৰা হয় ।

উল্লেখ্য যে অসমৰ প্ৰথিতযশা গল্পকাৰ, কবি অতনু ভট্টাচাৰ্য আৰু ধ্ৰুপদী সংগীত শিল্পী মিতালী দে'ৰ গল্প আৰু সংগীতৰ অপূৰ্ব সংমিশ্ৰণ গল্পকথা বৰ্তমান সময়ত সকলোৰে মাজত এক জনপ্ৰিয় অনুষ্ঠান। অতনু ভট্টাচাৰ্য আৰু মিতালী দে'ৰ ব্যতিক্ৰমী অনুষ্ঠান গল্পকথাত আজি জ্যোতিপ্ৰসাদক সুঁৱৰি চাৰিটা গল্প ক্ৰমে- জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী গল্প 'যুজাঁৰু', সৌৰভ কুমাৰ চলিহাৰ 'সিহঁতেও পাহাৰ বগালে', জুৰি বৰুৱাৰ 'শূন্যতাৰ সাধুকথা আৰু অলপ সেউজীয়া', গুলজাৰৰ গল্প 'ৰাভী পাৰ' গল্পৰ অভূতপূৰ্ব কথনশৈলীৰে সকলোৰে মন-প্ৰাণ চুই যায় ।

সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত গল্পকাৰ, কবি অতনু ভট্টাচাৰ্যই কয়, "সাধাৰণতে জ্যোতি প্ৰসাদক তেখেতৰ গীতেৰে-কবিতাৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয় । কিন্তু আমি আজি জ্যোতিপ্ৰসাদৰ গল্পৰে স্মৰণ কৰিছোঁ । কাৰণ তেওঁৰ গল্পৰ চৰ্চা তেনেকৈ নহয়েই । জ্যোতিপ্ৰসাদে কইটামানহে গল্প লিখিছিল ।"

ব্যতিক্ৰমীভাৱে অনুষ্ঠানটো আয়োজন কৰা আয়োজকসকলে কয় যে, গল্পকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাজন লুকাই থাকিল। জ্যোতিপ্ৰসাদ আগৰৱালা যে গল্পকাৰ হিচাবেও এজন বৰেণ্য ব্যক্তি সেয়া সকলোকে চিনাকি কৰাই দিয়াৰ বাবেই শিল্পী দিৱসৰ দিনটো এনেদৰে আয়োজন কৰা হয়। ■

## ANNUAL COLLEGE WEEK: 2023-24



The Annual College Week 2023-24 of Sarupathar College was held from 19-01-2024 to 25-01-2024 with great pomp and show. The college student's union arranged everything very smoothly and efficiently under the supervision of their teachers-in-charge and conducted numerous competitions of sports, culture, art & literature. Many enthusiastic students participated in all the single and group events which were conducted department-wise. The judges for the various competitions were some invited local distinguished personalities of different fields. Overall, the whole Programme of the College Week showcased the diverse culture and talents of the students of Sarupathar College. After the successful ending of the College week on 25-01-2024, the prize distribution ceremony was held on 09-02-2024. The best performers in the various competitions got rewarded and felicitated in the presence of the Teachers. This year the best Department award was achieved by the Department of Political Science, the Best Athletes Gautam Khaklary (male) and Rituparna Khakalary (female). Best literary competitor: Duleswar Saikia, Mr. Sarupathar College: Prachurjya Dutta and Miss Sarupathar: Nurismita Gogoi and best singer: Akankha Mahanta. ■

## বিশ্ব ৰেডিঅ' দিৱস উদ্‌যাপন

১৩ ফেব্ৰুৱাৰীঃ আজি বিশ্ব ৰেডিঅ' দিৱস। বৰ্তমান নষ্টালজিক হৈ পৰিছে ৰেডিঅ'। সৰুপথাৰ মহাবিদ্যালয়ত ৰেডিঅ' দিৱসৰ লগত সংগতি ৰাখি এক অনুষ্ঠানৰ আয়োজন কৰা হয়। লুপ্তপ্ৰায় এই মাধ্যমটোৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ মাজৰ বক্তৃতা আগবঢ়োৱা হয়। নষ্টালজিক কথাৰে ৰেডিঅ'ত সম্প্ৰচাৰ হোৱা অনুষ্ঠানসমূহৰ বিষয়েও বিষদভাৱে অবগত কৰোৱা হয়।

ৰেডিঅ'ৰ লগত বহু অনাক্ষৰী লোকৰ সম্পৰ্ক নিবিড়। বহুতকেই যেন এটা লগৰীয়া নিচিনাকৈ ৰেডিঅ'ই দিছিল বহু সম্ভেদ। শব্দ, তৰংগ আৰু সংকেতৰ সহায়ত ৰেডিঅ'ত সম্প্ৰচাৰিত বাৰ্তাবোৰ প্ৰেৰণ কৰা হয়। এসয়ত এই মাধ্যমেৰেই শ্ৰোতাই বহু তথ্য জানিব পাৰিছিল। বৰ্তমান সময়ত গোলকীকৰণ যুগত তথা ডিজিটেল মাধ্যমৰ পৰিপ্ৰেক্ষিতত কিছু পৰিমাণে ৰেডিঅ'ৰ প্ৰাসংগিতা কমি আহিছে যদিও ৰেডিঅ'ৰ ভূমিকা আজিও সমাজৰ কিছু স্তৰত আছে। শিক্ষামূলক অনুষ্ঠান, খেল, খবৰ-বাতৰি, সংগীত, নাট্যনুষ্ঠান আদি সকলো ৰেডিঅ'ৰ দ্বাৰাই সম্প্ৰচাৰ কৰা হৈছিল। শ্ৰোতাই সেয়া বুজিও পাইছিল। এতিয়া যেন ক্ৰমাৎ সাধুকথালৈ ৰূপান্তৰ হৈছে ৰেডিঅ'ত সম্প্ৰচাৰিত অনুষ্ঠানসমূহ। ■

## আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

২১ ফেব্ৰুৱাৰীঃ ভাষা মানুহৰ ভাৱ প্ৰকাশৰ মাধ্যম। মানুহে মনৰ ভাৱ আদান-প্ৰদান কৰাত মাতৃভাষাৰ স্থান প্ৰথম। শিশু এটাই জন্ম গ্ৰহণ কৰি প্ৰথমতেই মাতৃভাষাতেই কথা-বতৰা কবলৈ শিকে। প্ৰত্যেক বছৰে ২১ ফেব্ৰুৱাৰী দিনটোক আন্তৰ্জাতিক মাতৃভাষা হিচাপে পালন কৰা হৈছে। প্ৰত্যেকগৰাকী ব্যক্তিয়েই নিজৰ মাতৃভাষাৰ সৰ্বান্তকৰণেৰে ভাল পায়। মাতৃভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু সকলো ভাষা সংৰক্ষণ কৰাৰ উদ্দেশ্যেৰে ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্কই প্ৰথম এই দিৱসৰ কথা ঘোষণা কৰে।

আজি সৰুপথাৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয় চৌহদত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ সমূহ শিক্ষক কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ■

**মহাবিদ্যালয়ৰ বাবে বিশেষ এখিনি সময়**

তিনিজনকৈ সহকাৰী অধ্যাপক ক্ৰমে ড° প্ৰীতম সূত্ৰধৰ, ড° তানিশ্বা গগৈ আৰু অঞ্জলি যাদৱে সৰুপথাৰ মহাবিদ্যালয়ত যোগদান কৰে। মহাবিদ্যালয় পৰিয়ালৰ হৈ তিনিওগৰাকীলৈকে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

## আন্তঃমহাবিদ্যালয় উশ্বু প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়লৈ শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ সন্মান




মহাবিদ্যালয়ৰ বাকৰিৰ পৰা যুগল মেধি, ৩০ জানুৱাৰীঃ সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় উশ্বু প্ৰতিযোগিতা । ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মুঠ ১১ খন মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে । এই প্ৰতিযোগিতাত ৬ টা সোণ, ৫ টা ৰূপ, ৩ টা ব্ৰঞ্জৰ পদকেৰে সৰুপথাৰ মহাবিদ্যালয়ে শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ লাভ কৰাৰ লগতে মহিলাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী অতি লিম্বুৱে। আনহাতে পুৰুষৰ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰে বৰহাট মহাবিদ্যালয়ৰ মানস প্ৰতিম সোণোৱালে। ৩ টা সোণৰ পদক, ১ টা ৰূপ, ২ টা ব্ৰঞ্জৰ পদক লাভ কৰি দ্বিতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ খিতাপ লাভ কৰে মৰিধল মহাবিদ্যালয়ে ।

উল্লেখ্য যে, আন্তঃমহাবিদ্যালয় উশ্বু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সোণৰ পদক লাভ কৰা খেলুৱৈসকলে পৰৱৰ্তী আন্তঃবিশ্ববিদ্যালয় পৰ্যায়ত অংশগ্ৰহণ কৰিব পাৰিব। ■

## FIELD STUDY OF THE DEPARTMENT OF HISTORY



The Department of History, Sarupathar college went for a field study to Sibsagar and Charaideo on 21st of February, 2024.The prime aim of this excursion was to study the architectural remains of the Ahom dynasty that scattered in the districts. Visit to the museums of Sibsagar district and the *Maidam* of Lachit Barphukan were also a part of that educational tour. A total of twenty eight students from all the semesters took part in it. The tour was guided by the Assistant Professor Mr. Sandhan Hazarika and Bipul Das. The first sight of the visit was the *Maidams* of Charaideo. After spending half an hour in that place the students left for Kareng Ghar, one of the grandest examples of Ahom architecture. The next place of visit was *Sivadol,* the temple that dedicated to Lord *Shiva*. After taking lunch at a hotel nearby the temple, the team went for *Rangghar*. *Talatal Ghar, Joydol* and *Joysagar Pukhuri* were the last places that observed by the students. Nurturing some beautiful memories the team reached Sarupathar College campus at 11 pm.■

## অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ মাণ্ডলিক মূল্যায়ন কেন্দ্ৰ আৰম্ভ

মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাৰ মাণ্ডলিক মূল্যায়ন কেন্দ্ৰ আৰম্ভ কৰা হয়। কেন্দ্ৰৰ মান্ডলিক বিষয়া অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে সহকাৰী মাণ্ডলিক বিষয়া ক্ৰমে সত্যব্ৰত দত্ত, প্ৰশান্ত পোদ্দাৰ আৰু পৰাগ ভূঞা তথা অনান্য কৰ্মচাৰীৰ উপস্থিতিত মাংগলিক কাৰ্যসূচীৰে উদ্ধোধন কৰে। মহাবিদ্যালয়ৰ এই মাণ্ডলিক মূল্যায়ন কেন্দ্ৰই কাষৰীয়া কাৰ্বিআংলং উপজিলাৰ উচ্চতৰ মাধ্যমিক মহাবিদ্যালয়সমূহৰ শিক্ষকসকলক উপকৃত কৰিব। ■

## বিশ্ব কৰ্কট দিৱস উপলক্ষ্যে সজাগতা সভা




মহাবিদ্যালয়ৰ বাকৰিৰ পৰা যুগল মেধিঃ ৪ ফ্ৰেব্ৰুৱাৰী, বিশ্ব কৰ্কট দিৱস । ২০০০ চনৰে পৰা সমগ্ৰ বিশ্বজুৰি পালন কৰা হয় বিশ্ব কৰ্কট দিৱস। সমগ্ৰ বিশ্বৰ লগতে অসমতো এই দিৱস পালন কৰি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত গোলাঘাট জিলা স্বাস্থ্য সেৱা সমিতি আৰু সৰুপথাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত বিশ্ব কৰ্কট দিৱস উপলক্ষে সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয় সজাগতামূলক সভা।

বিশ্ব কৰ্কট দিৱসৰ লগত সংগতি ৰাখি গোলাঘাট স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত সৰুপথাৰ মহাবিদ্যালয়ত কৰ্কট ৰোগ সম্পৰ্কীয় সজাগতা সভাৰ লগতে সজাগতা ৰেলী উলিয়ায়। সম্প্ৰতি সময়ত ভাৰতবৰ্ষৰ এক মাৰাত্মক ৰোগ হৈছে কৰ্কট ৰোগ। এই ৰোগ প্ৰতিৰোধৰ বাবে অথবা কিদৰে এই ৰোগৰ চিকিৎসা কিদৰে কৰিব পাৰি সেই সন্দৰ্ভত বিশদভাৱে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়া হয় । ইয়াৰোপৰি স্বাস্থ্য বিভাগৰ যোগেদি শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক কেইবাটাও বিনামূলীয়া পৰীক্ষা কৰা হয়। কৰ্কট ৰোগ কি, কৰ্কট ৰোগৰ লক্ষণসমূহ কি কি, টিউমাৰ কি, টিউমাৰ কেইপ্ৰকাৰৰ, কেনেদৰে স্বাস্থ্যৰ যতন লব লাগে, কেনেদৰে কৰ্কট ৰোগৰ পৰা বাচি থাকিব পৰা যাব সেই সম্পৰ্কে স্বাস্থ্য বিভাগৰ দলটিয়ে সজাগতামূলক বক্তৃতা প্ৰদান কৰাৰ লগতে ছবিসহ তাৰ বৰ্ণনা কৰে । উক্ত অনুষ্ঠানত উপস্থিত থাকে গোলাঘাট জিলাৰ স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলৰ লগতে সৰুপথাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়ববীয়াকল। উল্লেখ্য, বিশ্ব কৰ্কট দিৱসৰ উদ্দেশ্য হৈছে কৰ্কট ৰোগৰ ওপৰত সজাগতা বৃদ্ধি কৰা। লগতে সমূহীয়া স্বাস্থ্য মানদণ্ডৰ যত্ন, স্ক্ৰীনিং, আগতীয়া চিনাক্তকৰণ, চিকিৎসা আৰু উপশমকাৰী যত্নৰ বিষয়বোৰ উন্নত কৰাৰ দিশত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰা । ■

**অভিনন্দন**

সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰণৱ ফুকনক পশ্চিমবংগৰ বাণেশ্বৰ সাৰথীবালা মহাবিদ্যালয়লৈ ২৮-০২-২০২৪ তাৰিখে 'প্ৰতিবেশী সাহিত্যে বৈষ্ণৱ দৰ্শন' বিষয়ত বক্তৃতা প্ৰদান কৰিবলৈ নিমন্ত্ৰণ জনাইছে। সৰ্বভাৰতীয় প্ৰেক্ষাপটত ফুকনৰ এই পৰিচিতি লাভে সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালবৰ্গকো গৌৰৱান্বিত কৰিছে।



অতনু ভট্টাচাৰ্যৰ বক্তৃতানুষ্ঠানঃ সৃষ্টিশীল সাহিত্য, ১৭ জানুৱাৰী, ২০২৪




ধনশিৰি মহকুমাই আয়োজন কৰা ৭৫ সংখ্যক গণৰাজ্য দিৱসত অংশগ্ৰহণ কৰা সৰুপথাৰ মহাবিদ্যালয়ৰ দল



নতুন দিল্লীত ২৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈকে আয়োজন কৰা পাঁচদিনীয়া "Formation of Cooperative Societies"শীৰ্ষক কৰ্মশালাত সৰুপথাৰ মহাবিদ্যালয়ৰ দল




অসম চৰকাৰৰ বন বিভাগৰ হৈ জিলা বন বিষয়াই মহাবিদ্যালয়খনিত সেউজ পৰিৱেশ বৰ্তাই ৰখাৰ বাবে প্ৰশংসা পত্ৰ প্ৰদান কৰাৰ বিশেষ মুহূৰ্ত



২৩ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে কাজিৰঙা বিশ্ববিদ্যালয়ৰ উদ্যোগত সৰুপথাৰ মহাবিদ্যালয়ত Soft Skill & Career Scope কাৰ্যসূচী।




গণৰাজ্য দিৱসত অতিৰিক্ত জিলা আয়ুক্ত তথা ধনশিৰিৰ মহকুমাধিপতি চৈয়দ ৰাছবীৰ ছুভানী ডাঙৰীয়াৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ৰ হৈ প্ৰশংসা-পত্ৰ গ্ৰহণ কৰাৰ মুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ



অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সৰুপথাৰ মহাবিদ্যালয় মাণ্ডলিক মূল্যায়ন কেন্দ্ৰ আৰম্ভণিৰ এক বিশেষ মুহূৰ্তত




৯ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীলৈ অসম চৰকাৰৰ দ্বাৰা গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় অসম সমবায় মেলাত মহাবিদ্যালয়ৰ Fish Farming Unit Scheme সম্পৰ্কে কৰ্তৃপক্ষৰ সন্মুখত উপস্থাপন কৰি থকা অৱস্থাত মহাবিদ্যালয়ৰ ছাত্ৰ ৰঞ্জন শৰ্মা।







ড° ভবেন্দ্ৰনাথ শইকীয়াৰ জন্মদিৱস উপলক্ষ্যে তেখেতৰ চলচিত্ৰ "আৱৰ্তন" প্ৰদৰ্শন

### অভিনন্দন


সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমানৰ সমাজতত্ব বিভাগৰ অতিথি অধ্যাপক ৰোহিন্দ্ৰ শইকীয়াই ২০২৩ বৰ্ষৰ ডিচেম্বৰত অনুষ্ঠিত সৰ্বভাৰতীয় নেট পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ কণিষ্ঠ গৱেষকৰ জলপানি (NET JRF) লাভ কৰিছে। মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা তেওঁক অভিনন্দন জ্ঞাপন কৰিছোঁ।


## ২০২৪ বৰ্ষৰ জানুৱাৰী/ ফেব্ৰুৱাৰী মাহত মহাবিদ্যালয়ৰ শিক্ষকৰ প্ৰকাশিত গ্ৰন্থ


















### সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ৭৩ সংখ্যক 'শিল্পী দিৱস'উপলক্ষে আয়োজিত ৰচনা প্ৰতিযোগিতাৰ ফলাফল

প্ৰথমঃ অৰ্চনা গীতা শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়।

দ্বিতীয়ঃ প্ৰত্যাশী দাস, হংসৰাজ কলেজ, দিল্লী বিশ্ববিদ্যালয়।

তৃতীয়ঃ দুলেশ্বৰ শইকীয়া, সৰুপথাৰ মহাবিদ্যালয়।

উদগনিমূলক বঁটা (যুটীয়াকৈ) ঃ জিষ্ণা বৰা, হেমপ্ৰভা ছোৱালী মহাবিদ্যালয়। দিম্পী বড়ো, সৰুপথাৰ মহাবিদ্যালয়।



### অভিনন্দন

মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ছাত্ৰ দুলেশ্বৰ শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত (২০২৩-২৪) চলচ্চিত্ৰ সমালোচনাত প্ৰথম আৰু প্ৰবন্ধ প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। কৃতী ছাত্ৰ দুলেশ্বৰলৈ মৰম, শুভেচ্ছা আৰু অভিনন্দন।


2nd Assam Cooperative Mela, 2024
9th, 10th & 11th January, 2024
Certificate of Appreciation
Proudly presented to Sarupathar Mahavidyalaya B.S.S.Ltd for having participated in the Pitch Fest held at Ganesh Mandir Indoor Stadium Playground, Khanapara, Guwahati on 10:01:2024. orgainised by Cooperation Department, Government of Assam.
Sri Biswajit Chakravarty
Zonal Joint Registrar of Coop. Societies & Convenor, Competition Committee
Narayan Konwar, IAS
Registrar of Cooperative Societies, Assam

**প্ৰতিবিম্ব ই-বাৰ্তাৰ** সম্পাদনা সমিতিঃ
উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
সম্পাদকঃ ড° অমৰ শইকীয়া
সম্পাদক (ইংৰাজী শাখা)ঃ প্ৰাঞ্জল দত্ত
সহঃ সম্পাদকঃ
সত্যব্ৰত দত্ত, তৃস্মিতা বৰা, যুগল মেধি